بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**মুচলেহ মাওউদ (ৰাঃ)ৰ ভৱিষ্যদ্বাণীৰ সংক্ষিপ্ত বিৰৰণ, হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ মৰ্যদা সন্দৰ্ভত অইন সকলৰ প্ৰভাৱ, লগতে পাকিস্তান,ইয়ামন আৰু পেলেষ্টাইনৰ আহমদী সকলৰ বাবে দোৱাৰ আহ্বান**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৩ ফেব্ৰুৱাৰীত ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি মই হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ সন্দৰ্ভত কিছু কথা বৰ্ণনা কৰিম, প্ৰত্যেক আহমদীয়ে জানে যে প্ৰত্যেক বছৰ এই ভৱিষ্যদ্বাণী পূৰ্ণতা লাভ কৰাৰ ফলত জলছা অনুষ্ঠিত কৰা হয়। এয়া ২০ ফেব্ৰুৱাৰী ১৮৮৬ চনৰ ভৱিষ্যদ্বাণী,য'ত হজৰত মছীহ মাওউদ (আঃ)ক এজন বিভিন্ন প্ৰকাৰ গুণাৱলীৰে পূৰ্ণতা লাভ কৰোঁতা সন্তান জন্ম পোৱাৰ শুভ সংবাদ প্ৰদান কৰা  হৈছিল। এই সন্দৰ্ভত বৰ্ণনা কৰাৰ আগতে কিছুমান ল'ৰা-ছোৱালী আৰু যুৱক সকলক এই প্ৰশ্নৰ উত্তৰ দিব বিচাৰো যে সিহঁতে কয় যে আমি জন্মদিন উৎযাপন নকৰো, তেন্তে হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ জন্মদিন কিয় উৎযাপন কৰা হয়? হজৰত মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদ (ৰাঃ)ৰ জন্মদিন উৎযাপন কৰা নহয়, বৰং তেখেতৰ সন্দৰ্ভত ভৱিষ্যদ্বাণী পূৰ্ণতা লাভ কৰাৰ জলছা অনুষ্ঠিত কৰা হয়। হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ) ১২ জানুৱাৰী ১৮৮৯ চনত জন্ম গ্ৰহণ কৰে। পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক কোৱা উচিত আৰু বুজোৱা উচিত যে মুচলেহ মাওউদ (ৰাঃ) সন্দৰ্ভত ভৱিষ্যদ্বাণী কি? এয়া এক মহান ভৱিষ্যদ্বাণী,তেখেতৰ সন্দৰ্ভত পূৰ্বৰ নবী সকলেও খবৰ দিছিল, আকৌ আঁহজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুসৰি আল্লাহ তা'লাই হজৰত মছীহ মাওউদ (আঃ)ক সেয়া ঘোষণা কৰাৰ বাবে কৈছিল।

এয়া দীৰ্ঘ ভৱিষ্যদ্বাণী। এই ভৱিষ্যদ্বাণীত সেই ল'ৰাজনৰ বৈশিষ্টৱলী বয়ান কৰা হৈছে তাৰ মাজৰ পৰা দুই এটা ইয়াত উল্লেখ কৰিম। কৈছে, তেখেত বৰ প্ৰখৰ মস্তিষ্কবান আৰু বুদ্ধিমান হ'ব। বাহ্যিক আৰু আধ্যাত্মিক জ্ঞানেৰে পৰিপূৰ্ণ হ'ব। তেখেত কয়েদী সকলৰ মুক্তিদাতা হ'ব। এয়া সেই দীৰ্ঘ ভৱিষ্যদ্বাণীৰ কিছু দিশ। আমি দেখিবলৈ পাও যে সেই ল'ৰা নিৰ্ধাৰিত সময়তে জন্ম গ্ৰহণ কৰে আৰু ভৱিষ্যদ্বাণীৰ ৫০ বা ৫২ গুণাৱলীৰ

সত্যায়নৰ তেখেত অন্তৰ্ভুক্ত হয়। হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ খলিফাৰ যুগৰ প্ৰত্যেক দিন এই ভৱিষ্যদ্বাণী পূৰ্ণতা লাভ হোৱাৰ মহানতা প্ৰকাশ কৰে; আৰু প্ৰত্যেক দিন জামাত আহমদীয়াৰ উন্নতিৰ উজ্জ্বল প্ৰমাণ। এই ভৱিষ্যদ্বাণীৰ মাধ্যমে মই ন্যায়পৰায়ণ লোক সকলৰ সাক্ষী উত্থাপন কৰিম যিসকল জামাতৰ সৈতে কোনো সম্পৰ্ক নাই,কিন্তু সিহঁত উপমহাদেশৰ সুপৰিচিত ব্যক্তি।

এজন গৱেষক, লিখক,সাংবাদিক আৰু ইতিহাসবিদ মাউলানা গুলাম ৰছুল চাহাব মুহৰে শ্বেষ আব্দুল মাজিদ চাহাবক কৈছে যে আপোনালোকৰ কোনো পুস্তকত এই মহান ব্যক্তিৰ অৱদান সন্দৰ্ভত সম্পূৰ্ণৰূপে জানিব পৰা নাযায়। আমি তেওঁক কাষৰ পৰা দেখিছো, কেইবাবাৰ সাক্ষাৎ কৰিছোঁ,মুছলমান জাতিসকলৰ বাবে তেখেতৰ অস্তিত্ব বিসৰ্জনকাৰী আছিল। সাম্প্ৰদায়িক পক্ষপাতিত্বত তেখেতৰ অস্তিত্বৰ নাম দেখিবলৈ পোৱা নাযায়, তেওঁ বুদ্ধিমান আছিল, পৰিতাপ ! মুছলমান সকলে মিৰ্জা চাহাব (ৰাঃ)ৰ মৰ্যাদাক বুজি নাপালে।কঠোৰ বিৰোধীতাৰ ধুমুহা প্ৰবাহিত হোৱা সত্ত্বেও মিৰ্জা চাহাব (ৰাঃ)ক কেতিয়াও হতাশ আৰু নিৰাশ দেখিবলৈ পোৱা নাই।

লালা ভিম ছিনৰ পুত্ৰ জনাব লালা কনুৰ ছিন চাহাব কাশ্মিৰৰ প্ৰাক্তন মূখ্য ন্যায়াধীশে হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ আৰবী ভাষাৰ বক্তব্য সন্দৰ্ভৰ কথা উল্লেখ কৰি নিজৰ ভাষণত কৈছে যে তেখেতে যি ভাষণ প্ৰদান কৰিছিল, সেয়া ধৰ্ম তত্ত্ব আৰু দৰ্শনেৰে পৰিপূৰ্ণ। মই আশা কৰো সেই ভাষণৰ প্ৰভাৱ দীৰ্ঘ কাললৈকে মোৰ হৃদয়ত প্ৰতিষ্ঠিত থাকিব। হজৰত মুচলেহ মাওউদ (ৰাঃ) শিক্ষাৰ ক্ষেত্ৰত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণও হোৱা নাছিল; আল্লাহ তা'লাৰ প্ৰতিশ্ৰুতি অনুসৰি সেই জ্ঞান আহৰণ কৰিলে যে অইন সকলেও বিনা প্ৰশংসা থাকিব নোৱাৰিলে।

হজৰত মুচলেহ মাওউদ (ৰাঃ) খলিফা হোৱাৰ পিছত আমেৰিকাৰ এজন পাদুৰি কাদিয়ানলৈ আহে। তেওঁ কিছু ধাৰ্মিক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰি কয় যে আজিলৈকে কোনো মুছলমান আলিমে এই সমূহ প্ৰশ্নৰ সন্তুষ্টিমূলক উত্তৰ দিব পৰা নাই। মই এই প্ৰশ্ন সমূহ আপোনালোকৰ খলিফাৰ ওচৰত উত্থাপন কৰাৰ বাবে আহিছো। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ গুৰুত্ব সহকাৰে সেই প্ৰশ্ন সমূহ শুনি এনে সন্তুষ্টিমূলক উত্তৰ দিলে যে পাদুৰিয়ে ক'ব ধৰিলে যে মই আজিলৈকে এই ধৰণৰ কথা-বতৰা আৰু তত্ত্বগত ভাষণ কোনো মুছলমান সকলৰ মূখৰ পৰা শুনা নাই। জানিব পৰা যায় যে তোমালোকৰ খলিফা বহুত ডাঙৰ স্কলাৰ হয়; আৰু ধাৰ্মিক জগতত তেখেতৰ দৃষ্টি গভীৰ; ইমানে কৈ তেওঁ হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ হাতত চুমা দি উভতি যায়। ৰাজনৈতিক বাতৰি কাকতে লিখিছে যে ধাৰ্মিক মতভেদ এফালে ৰাখি দৃষ্টি নিক্ষেপ কৰি চাওঁক জনাব বশিৰ উদ্দিন মাহমুদ আহমদ চাহাবে লিখনিৰ ময়দানত যি ভূমিকা পালন কৰিছে সেয়া প্ৰশংসনীয়।

মাউলানা মহম্মদ আলি চাহাবে লণ্ডনৰ গোলমেজ সমাৰোহৰ উদ্ধৃতিত নিজৰ পত্ৰিকা হামদৰদত লিখিছে যে যদি মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদ চাহাবৰ আৰু পৱিত্ৰ জামাতৰ প্ৰশংসা কৰা নহয়, তেন্তে সেয়া অকৃতজ্ঞতা জ্ঞাপন কৰা হ'ব। তেখেতে নিজৰ গোটেই জীৱন আকিদা সমূহৰ বিনা ভেদভাৱ সমগ্ৰ মুছলমান সকলৰ বাবে বিসৰ্জন দিছে। এফালে মুছলমান সকলৰ ৰাজনৈতিক ফালে আকৰ্ষণ, আনফালে মুছলমান সকলৰ প্ৰচাৰ-প্ৰসাৰ আৰু বেপাৰ বাণিজ্যৰ বাবে চেষ্টা-প্ৰচেষ্টা; সেই সময় দূৰ নহয়, এই পৱিত্ৰ দলৰ কাৰ্যকলাপৰ মাধ্যমে ইছলাম আৰু সেই সকল বিশেষ ব্যক্তিসকলৰ বাবে ( যিসকলে ডাঙৰ মেম্বাৰত বহি নেতা হোৱাৰ দাবী কৰি ধ্বনি উচ্চ কৰে, কিন্তু আভ্যন্তৰীণ হিচাপে সেই দাবী নিৰ্থক) পোহৰ বুলি প্ৰতীয়মান হ'ব।

ডাক্তৰ আল্লামা মহম্মদ ইকবালৰ উদ্ধৃতিৰে এই কথা সমূহৰ ৰিকাৰ্ড মজুদ আছে যে ২৪ মাৰ্চ ১৯২৭

চনত লাহোৰত জলছা অনুষ্ঠিত হয় যাৰ সভাপতিত্ব আছিল ডাক্তৰ আল্লামা ইকবাল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে সেই জলছাত ভাষণ প্ৰদান কৰে। আল্লামা চাহাবে কৈছে যে এনেকুৱা ভাষণ দীৰ্ঘ সময় পিছত লাহোৰত শুনিবলৈ পালো। বিশেষকৈ কোৰাণ মজিদৰ আয়াতৰ দ্বাৰা মিৰ্জা চাহাব (ৰাঃ)য়ে যি দলিল উত্থাপন কৰিছে সেয়া অতি উত্তম। মই নিজৰ ভাষণ অধিক সময়লৈকে জাৰি ৰাখিব নোৱাৰো কাৰণ সেই ভাষণৰ পৰা যি সোৱাদ পাই আছো সেয়া যেন নাইকিয়া হৈ নাযায়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ১৯১৯ চনত লাহোৰত **ইছলাম মে ইখতিলাফ কা আগাজ** যি পুস্তক আকাৰে প্ৰকাশ পাইছে সেয়া এটা ভাষণ আছিল। ছৈয়দ আব্দুল কাদিৰ চাহাব প্ৰিন্সিপাল ইছলামীয়া কলেজ লাহোৰে নিজৰ সভাপতিত্বৰ ভাষণত কৈছিল যে এই ভাষণ জ্ঞানেৰে ভৰপুৰ। মইয়ো ইছলামী ইতিহাসৰ বিষয়ে অৱগত; মই দাবীৰ সৈতে ক'ব পাৰো যে মুছলমানেও হওঁক বা অমুছলমানেই হওঁক সিহঁতৰ মাজত অতি নগন্য ইতিহাসবিদ আছে যিসকলে হজৰত উছমান (ৰাঃ)ৰ খলিফাৰ যুগৰ মতানৈক্যৰ শীৰ্ষ স্থানলৈ গৈ পাইছে আৰু গৃহযুদ্ধৰ ফিৎনাৰ কাৰণ সমূহ সঠিক পদ্ধতিৰে বুজি পাইছে। হজৰত মিৰ্জা চাহাবে কেৱল গৃহযুদ্ধৰ ফিৎনাৰ কাৰণেই বুজিবলৈ সক্ষম হোৱা নাই, বৰং তেখেতে সেই ঘটনা সমূহ সুস্পষ্ট ভাৱে বয়ান কৰিছে যাৰ কাৰণে খলিফাৰ কাল দীৰ্ঘ সময়লৈকে দোদুল্যমান হৈ আছিল। মোৰ ধাৰণা অনুসৰি এনেকুৱা বিষয়াৱলী ইছলামী ইতিহাসৰ প্ৰতি মনোযোগ আকৰ্ষণকাৰী সকলৰ দৃষ্টিৰ সন্মুখত ইয়াৰ পূৰ্বে অতিবাহিত হোৱা নাই।

আখবাৰুল উমৰান দামেস্ক ১০ আগষ্ট ১৯২৪ চনত মেহেদী দামেস্কৰ বিষয় সন্দৰ্ভত লিখিছে যে আপুনি গভীৰ দৃষ্টিৰ গৱেষক, গোটেই ধৰ্মৰ ইতিহাস আৰু দৰ্শনৰ গভীৰ দৃষ্টিৰ অধ্যয়নকাৰী, ঐশ্বৰিক চৰিয়তৰ গভীৰ জ্ঞান ৰাখোতা ব্যক্তি হিচাপে পৰিগণিত।

খ্যাতি লাভ কৰা সাংবাদিক আৰু ৰাজনীতি কৰা মিঞা মহম্মদ শ্বফিয়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ মৃত্যুৰ পিছত লিখিছে যে মিৰ্জা মাহমুদ আহমদ (ৰাঃ)য়ে খলিফাৰ আসনত আসনপ্ৰাপ্ত হোৱাৰ পিছত যিদৰে নিজৰ জামাতৰ ব্যৱস্থাপনা স্থাপন কৰিছে, যিদৰে ছদৰ আঞ্জুমান আহমদীয়াক সক্ৰিয় কৰিছে; ইয়াৰে পৰা তেখেতৰ অপৰিসীম ব্যৱস্থাপনাৰ শক্তি জানিব পৰা যায়; যদিও তেখেতৰ কোনো ইউনিভাৰছিটিৰ ডিগ্ৰী নাছিল, তথাপি তেখেতে ব্যক্তিগত ভাৱে অধ্যয়ন কৰি নিজকে নিশ্চিতৰূপে আল্লামা কোৱাৰ যোগ্যতা বুলি প্ৰমাণিত হৈছিল। মিৰ্জা চাহাব এজন বিজ্ঞ বক্তা আৰু সম্প্ৰচাৰক আছিল, প্ৰত্যেক মূহুৰ্ত কামত লগাইছে যাৰ ফলতে জামাতৰ উন্নতিৰ বাট মুকলি হৈছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বিভিন্ন বিষয়াৱলীৰ ওপৰত জামাতক, সাধাৰণতে মুছলমান সকলক পথ-প্ৰদৰ্শন কৰিছে। কেইবা খণ্ডৰ পুস্তক আছে, খোতবা আছে। পুৰণি ৰিকাৰ্ডৰ পৰা প্ৰকাশিত নোহোৱা নোট বা খোতবা আৰু ভাষণ সমূহৰ পৰা কোৰাণ কৰিমৰ ব্যাখ্যা পোৱা যায়; সেয়াও ইনশা আল্লাহ প্ৰকাশ কৰা হ'ব। বহু পুস্তক ইংৰাজী ভাষাত প্ৰকাশ পাইছে, যিসকলে উৰ্দু নাজানে সিহঁতে এই খাজানাৰ পৰা উপকাৰ হোৱাৰ প্ৰয়াস কৰা উচিত। আল্লাহ তা'লা আমাৰ সকলোকে এই জ্ঞানৰ ভাণ্ডাৰৰ পৰা উপকাৰ হোৱাৰ সৌভাগ্য দান কৰক।

হুজুৰ আনোৱাৰ কৈছে, আজিকালি পাকিস্তানত জামাতৰ এবাৰ দুবাৰ বিৰোধীতাৰ ঢৌ উঠা আৰম্ভ হৈছে। ৰাজনীতি কৰা সকলে আৰু মৌলবী যিসকলে নিৰ্বাচনত পৰাজয় হৈছে বা নিজৰ ইচ্ছানুযায়ী ফলাফল লাভ কৰিব পৰা নাই, সিহঁতৰ বিশাল সংখ্যক লোকে ফাছাদ বিস্তাৰ লাভ কৰাৰ বাবে আহমদী সকলৰ

বিৰুদ্ধে ষড়যন্ত্র চলায় আছে। সেই কাৰণে আহমদী সকলে য'ত সাৱধানতা অৱলম্বন কৰা উচিত তাতে দোৱাও কৰা উচিত আৰু দান-বৰঙণি অধিক পৰিমাণে দিয়া উচিত। আল্লাহ্ তা'লা আহমদী সকলক সুৰক্ষিত ৰাখক।

ইয়ামনৰ আহমদী সকলৰ বাবে বহু দোৱা কৰা উচিত। আল্লাহ্ তা'লা সিহঁতৰ বাবে সা-সুবিধা প্ৰদান কৰক। সিহঁতৰ মাজত বহু কাৰাগাৰত আছে, সিহঁতক সোনকালে মুক্তি দিয়ক। পেলেষ্টাইনৰ বাবে দোৱা কৰিব আল্লাহ্ তা'লা সিহঁতৰ ওপৰত কৃপা বৰ্ষণ কৰক, ডাঙৰ শক্তিৰ অত্যাচাৰৰ পৰা মুক্তি দান কৰক।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে ঘানাত জামাতৰ শত বছৰ পূৰ্ণতা লাভ কৰাত শত বাৰ্ষিক জলছা সফল হোৱাৰ বাবে দোৱাৰ আহ্বান জনাই কয় যে ইয়াৰ পৰা মোৰ ভাষণ লাইভ হ'ব। আল্লাহ্ তা'লা সকলো ফালৰে পৰা কল্যাণমণ্ডিত কৰক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 23 FEB 2024**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**